**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 05-01-2026**
**Time : 21-25 Hrs.**

# ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্যৰ বিভিন্ন ঠাইত চলি থকা উচ্ছেদ অভিযান অব্যাহত থাকিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। মঙলদৈ বিধানসভা সমষ্টিত উদ্যমিতা অভিযানৰ চেক বিতৰণ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সাংবাদিকৰে সৈতে হোৱা কথা বতৰাত তেওঁ কয় যে উচ্ছেদৰ বাবে ৰাজ্য চৰকাৰে ইতিমধ্যে ৰূপৰেখা প্ৰস্তুত কৰি থৈছে আৰু সেই অনুসৰিয়েই উচ্ছেদ অভিযান চলি থাকিব।

বাইট

উল্লেখযোগ্য যে মুখ্যমন্ত্ৰীগৰকীয়ে আজি মঙলদৈ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩১ হাজাৰ ১৭ গৰাকী মহিলাক উদ্যমিতা অভি্যানৰ অধীনত চেক বিতৰণ কৰে। এই উপলক্ষে এখন ৰাজহুৱা সভাত অংশ লৈ মুখ্যমন্ত্ৰীগৰকীয়ে কয় যে মহিলা সৱলিকৰণৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ লগতে ৰাজ্য চৰকাৰেও যৎপৰোনাস্তি চেষ্টা কৰি আহিছে। মঙলদৈৰ পুনিয়াত দৰং চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত নিৰ্মাণস্থলীত আয়োজন কৰা এই কাৰ্যসূচীত দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস আৰু ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০

আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্যজুৰি আজি আৰম্ভ হোৱা বিজেপিৰ দেৱাল লিখন কাৰ্যসূচী আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই খানাপাৰাত শুভাৰম্ভ কৰে। দেৱাল লিখন সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে দেৱালৰ গৰাকীৰ অনুমতি সাপেক্ষেহে দলৰ চিহ্ন অংকণ কৰা হ'ব। ইয়াৰ ফলত গণ-সংযোগৰ মাধ্যমেৰে প্ৰচাৰ অভিযান চলাব পৰা যাব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দলীয় প্ৰতীক চিহ্ন দেৱালত অংকণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত বিভিন্ন স্তৰৰ দলীয় বিষয়ববীয়াসকল উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰি কয়, যে বিজেপি দলৰ প্ৰতি গৰাকী কৰ্মী সেৱা আৰু সমৰ্পণৰ প্ৰতি দায়বদ্ধ।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ১৭ আৰু ১৮ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে পুনৰ অসম ভ্ৰমণলৈ আহিব। এই ভ্ৰমণৰ অংশ স্বৰূপে ১৮ জানুৱাৰীত কলিয়াবৰৰ পৰা নুমলিগড়লৈকে নিৰ্মাণ হ'বলগীয়া ৪ লেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ এলিভেটেড কৰিড'ৰৰ আধাৰশিলা স্থাপন কৰিব। এই উপলক্ষে প্ৰধানমন্ত্ৰীগৰাকীয়ে কলিয়াবৰৰ মৌচন্দা পথাৰত এখন বিশাল জনসভাত অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰীয়ে

জনসভাত অংশগ্ৰহণ কৰিবলগীয়া মৌচন্দা পথাৰত আজি নিশা উপস্থিত হৈ প্ৰস্তুতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীৰ লগতে সেই স্থানত নিশা মন্ত্ৰী কেশৱ মহন্ত আৰু পীযুষ হাজৰিকাও উপস্থিত থাকে।

০০০০

মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পৰহিলৈ ধেমাজি আৰু ঢকুৱাখনা  বিধানসভা সমষ্টিত আয়োজিত দুখনকৈ জনসভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীৰ মহিলা উদ্যমিতা আঁচনিৰ অধীনত চেক বিতৰণ কৰিব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া দেউৰীবিল পথাৰ আৰু ঘিলামৰা ব্লক ফিল্ডৰ সভাস্থলী পৰিদৰ্শন কৰি প্ৰস্তুতিৰ বুজ লয়।

০০০০

ৰাজ্যৰ বিভিন্ন স্থানত শীতপ্ৰবাহে জনজীৱন একপ্ৰকাৰ স্থবিৰ কৰি তুলিছে। মৰিগাওঁ জিলাতো শীতপ্ৰবাহে স্থবিৰ কৰি তুলিছে প্ৰাত্যহিক জনজীৱন। ইয়াৰ পৰিপ্ৰেক্ষিতত কাইলৈ মৰিগাওঁ জিলাৰ সকলো চৰকাৰী আৰু বেচৰকাৰী বিদ্যালয় জিলা প্ৰশাসনে বন্ধ ঘোষণা কৰিছে। মৰিগাওঁ জিলাৰ অতিৰিক্ত আয়ুক্ত অনুসূয়া শৰ্মাই এইকথা সংবাদ মাধ্যমক অৱগত কৰিছে।

০০০০

ওদালগুৰি জিলাৰ টংলাত অহা ৫ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ হ'বলগীয়া নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৮ সংখ্যক বাৰ্ষিক অধিবেশন উপলক্ষে আজি লাইখুটা স্থাপন কৰা হয়। এবছুৰ সভাপতি দীপেন বড়োৱে বাথৌ ৰীতি নীতিৰে লাইখুটা স্থাপন কৰে। টংলা মহাবিদ্যালয়ৰ খেলপথাৰত ৩ দিনীয়া কাৰ্যসূচীৰে এই অধিবেশন অনুষ্ঠিত হ'ব।

০০০০

শিৱসাগৰ জিলাৰ গৌৰীসাগৰ বৰপাত্ৰদল উচ্চ মাধ্যমিক বিদ্যালয়ত আজি বাল্য বিবাহ মুক্ত ভাৰত অভিযানৰ সন্দৰ্ভত এখন বিশেষ সজাগতা সভা অনুষ্ঠিত হৈ যায়। এই সভাত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষয়িত্ৰী, স্থানীয় ৰাইজ তথা সংহত শিশু উন্নয়ন প্ৰকল্পৰ বিষয়ববীয়াসকলৰ উপস্থিতিত সজাগতা ৰেলী উলিওৱা হয়।  সমাজকৰ্মী গীতালী দেৱী ৰচিত **সপোনবোৰ নাভাঙিবি** শীৰ্ষক এখন বাটৰ নাটো কালুগাঁৱৰ আন্তল চাৰিআলীত প্ৰদৰ্শন কৰা হয়।

০০০০

বজালী জিলাৰ পাটাছাৰকুছি সৰিহ সত্ৰ নিৱাসী তথা বামুনকুছি  গাওঁ পঞ্চায়তৰ প্ৰাক্তন কাউন্সিলাৰ প্ৰভাত চন্দ্ৰ গোস্বামীয়ে আজি পুৱা মৃত্যুক সাৱতি লয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। তেওঁৰ মৃত্যুত অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**